# NSD NEWS UNIT
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*
**::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এটা ব্যক্তিগত টেলিভিশ্বন চেনেলে প্ৰস্তুত কৰি উলিওৱা Statue of unity: Ekta ka Pratik শীৰ্ষক এখন তথ্যচিত্ৰৰ এটা খণ্ড শ্বেয়াৰ কৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে, নাগৰিকত্ব সংশোধনী আইনখন হৈছে নাগৰিকত্ব অধিকাৰ প্ৰদান কৰা এখন আইন, এই আইনখনে কাৰো পৰা নাগৰিকত্ব কাঢ়ি নলয়।

৩। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন সন্দৰ্ভত এখন উচ্চস্তৰীয় কমিটিয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ হাতত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিছে।

৪। বিশিষ্ট সমাজ সেৱক সুধামুৰ্তিয়ে আজি ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। ***আৰু***

৫। বিজেপিয়ে হাৰিয়ানাৰ ৬ খন লোকসভা আসনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এটা ব্যক্তিগত টেলিভিশ্বন চেনেলে প্ৰস্তুত কৰি উলিওৱা Statue of unity: Ekta ka Pratik শীৰ্ষক এখন তথ্যচিত্ৰৰ এটা খণ্ড শ্বেয়াৰ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, Statue of unity অৰ্থাৎ একতাৰ মূৰ্তি বিষয়ক এই খণ্ডটো চাবলৈ পাই তেওঁ এক বিশেষ অভিজ্ঞতা অনুভৱ কৰিছে। এই খণ্ডটো চোৱাৰ পিছত প্ৰত্যেকৰে মনত কেৱড়ীয়া ভ্ৰমণ কৰাৰ ইচ্ছা জাগ্ৰত হ'ব। আনন্দ এন ৰায় নিৰ্দেশনাত প্ৰস্তুত কৰা এই তথ্যচিত্ৰখন বিশ্বৰ সবাতকৈ ওখ প্ৰতিমুৰ্তি নিৰ্মাণ কৰা প্ৰাৰম্ভিক স্থিতিৰ পৰা সম্পূৰ্ণ কৰালৈকে কঠিন যাত্ৰা প্ৰদৰ্শন কৰা হৈছে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে, নাগৰিকত্ব সংশোধনী আইনখন হৈছে নাগৰিকত্ব অধিকাৰ প্ৰদান কৰা এখন আইন, এই আইনখনে কাৰো পৰা নাগৰিকত্ব কাঢ়ি নলয়। সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীশ্বাহে কয় যে, নাগৰিকত্ব সংশোধনী আইনখনে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ হিন্দু, বৌদ্ধ, জৈন, শিখ, খ্ৰীষ্টিয়ান আৰু পাৰ্চী শৰনাৰ্থীসকলক তেওঁলোকৰ অধিকাৰ আৰু নাগৰিকত্ব প্ৰদান কৰিব। তেওঁ কয় যে, এই আইনৰ অধীনত সকলোৱে সম অধিকাৰ লাভ কৰিব। নতুনকৈ নাগৰিকত্ব প্ৰদান কৰা এই লোকসকলক দেশৰ নাগৰিক হিচাপে নাগৰিকত্বৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব আৰু তেওঁলোকে নিৰ্বাচনত

প্ৰতিদ্বন্দিতা কৰি সাংসদ, বিধায়ক, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী আদি হোৱাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, সংখ্যালঘুসকলে ভয় খোৱাৰ কোনো কাৰণ নাই যিহেতু নাগৰিকত্ব সংশোধনী আইনত কাৰোৱেই নাগৰিকত্ব কাঢ়ি লোৱাৰ কোনো ব্যৱস্থা নাই। তেওঁ কয় যে, কোনো ব্যক্তিৰ বাবে দুৱাৰ বন্ধ কৰা হোৱা নাই আৰু মুছলমান লোকসকলৰো নাগৰিকত্বৰ বাবে আবেদন কৰাৰ অধিকাৰ আছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ২০১৪ চনৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ভাৰতত প্ৰৱেশ কৰা সকলো লোককেই দেশখনলৈ আদৰণি জনোৱা হৈছে।

০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি অসমৰ কোকৰাঝাৰ ভ্ৰমণ কৰি ইউ পি পি এল-বিজেপি, আৰু অসম গণ পৰিষদ দলৰ কৰ্মকৰ্তাসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰাত উপস্থিতত হোৱাৰ পাছত বড়োলেণ্ড স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৱে পৰম্পৰাগত পোচাক, এখন আৰনাই আৰু বড়ো থলুৱা বাদ্যযন্ত্ৰ চেৰজাৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আদৰণি জনায়। বৈঠকত অসম বিজেপিৰ সভাপতি ভবেশ কলিতা, কেবিনেট মন্ত্ৰী ৰণজিত কুমাৰ দাস, কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণ এন এইচ এ আইয়ে পে টি এম ফাষ্টটেগ ব্যৱহাৰকাৰীসকলক ১৫ মাৰ্চৰ পূৰ্বে অন্য বেংকৰ ফাষ্টটেগলৈ স্থানান্তৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে কৈছে যে, ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথেৰে আহ-যাহ কৰাৰ সময়ত জৰিমণা অথবা দ্বৈত মাচুলৰ পৰা হাত সাৰিব পৰা যাব। ভাৰতীয় ৰিজাৰ্ভ বেংকে পে টি এম ধনাদায় বেংকৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা অনুসৰি পে টি এম ফাষ্টটেগ ব্যৱহাৰকাৰীসকলক ১৫ মাৰ্চৰ পাছত ৰিচাৰ্জ অথবা টপ আপ কৰিব নোৱাৰিব। অৱশ্যে তেওঁলোকে নিজৰ জমা থকা ধনৰাশি ব্যৱহাৰ কৰিব পাৰিব।

০০০০

এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন সন্দৰ্ভত এখন উচ্চস্তৰীয় কমিটিয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ হাতত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত এই উচ্চস্তৰীয় কমিটিয়ে শ্ৰীমতী মুৰ্মুক আজি তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, পঞ্চদশ বিত্ত আয়োগৰ প্ৰাক্তন অধ্যক্ষ এন কে সিঙকে ধৰি অন্যান্য সকলৰ উপস্থিতিত এই প্ৰতিবেদন দাখিল কৰা হয়।

আইন আৰু ন্যায় মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন হৈছে অভিলাসী ভাৰতৰ মূল ভেটি। মন্ত্ৰালয়ে কৈছে যে, ১৮ হাজাৰ ৬২৬ পৃষ্ঠাৰ এই প্ৰতিবেদনখনত অংশীদাৰ আৰু বিশেষজ্ঞসকলৰ দিহা পৰামৰ্শৰ লগতে ১৯১ দিনৰ গৱেষণাৰ গুৰুত্বপূৰ্ণ দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত মাহৰ ১৬ তাৰিখলৈ পশ্চিমবংগ আৰু চিকিমৰ কিছু কিছু ঠাইত পাতলীয়া বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। আনহাতে, ১৯ মাৰ্চলৈ পশ্চিমবংগ আৰু ওড়িশাৰ কোনো কোনো অঞ্চলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগে প্ৰকাশ কৰিছে। ইয়াৰ লগতে

ঝাৰখণ্ড, বিদৰ্ভ, চত্তিশগড় আৰু মধ্য প্ৰদেশৰ পূব অংশতো বৰষুণ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। উল্লেখযোগ্য যে, গৰম আৰু আদ্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি বতৰ বিজ্ঞান কেন্দ্ৰই অহা ৫ দিনলৈ কেৰালা, মাহে, ৰায়চীমা, তামিলনাডু, পুডুচেৰী আৰু কৰাইকলত এনে ধৰণৰ বতৰে বৰ্তি থাকিব বুলি প্ৰকাশ কৰে। আনহাতে, কালি সন্ধিয়া দেশৰ ৰাজধানীত কিছু পৰিমাণে পাতলীয়া বৰষুণ হোৱাৰ বিপৰীতে আজি বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে আবেলিলৈ আকাশ ফৰকাল হব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে আজিৰ দিনটোৰ সৰ্বাধিক তাপমাত্ৰা ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু ন্যূনতম তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হোৱাৰ সম্ভাৱনা আছে।

০০০০

বিশিষ্ট সমাজ সেৱক সুধামুৰ্তিয়ে আজি ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সংসদ ভৱনত নৱনিৰ্বাচিত সদস্য সুধামুৰ্তিক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ইনফোচিচৰ প্ৰতিষ্ঠাপক নাৰায়ণ মুৰ্তি আৰু ৰাজ্যসভাৰ নেতা পিয়ুছ গোৱেলো উপস্থিত থাকে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিশিষ্ট শিক্ষাবিদ, লেখক তথা সমাজসেৱক সুধামুৰ্তি ৰাজ্যসভাৰ বাবে মনোনীত কৰিছিল।

০০০০

বিজেপিয়ে হাৰিয়ানাৰ ৬ খন লোকসভা আসনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অৰুণ সিঙে প্ৰকাশ কৰা এই তালিকা অনুসৰি ধৰমবীৰ সিঙক ভিৱানী - মহেন্দ্ৰগড় আসনখনৰ বাবে প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ বিপৰীতে ৰাও ইন্দ্ৰজিত সিঙক গুৰুগ্ৰাম আৰু কৃষণপাল গুৰজাৰক ফৰিদাবাদ আসনখনৰ বাবে প্ৰাৰ্থী হিচাপে ঠিয় কৰোৱাইছে। এই আটাইকেইগৰাকী হৈছে একেই সমষ্টিকেইটাৰ বৰ্তমানৰ সাংসদ। কৰ্ণাল বিধানসভা আসনখনৰ পৰা কালি পদত্যাগ কৰা হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লালে কৰ্ণাল আসনখনৰ পৰা লোকসভাৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা কৰিব। আনহাতে, কিছুদিন পূৰ্বে আম আদমী পাৰ্টীৰ পৰা পদত্যাগ কৰি বিজেপিত যোগ দিয়া কংগ্ৰেছৰ প্ৰাক্তন ৰাজ্যিক সভাপতি অশোক টনৱাৰে চিৰচাৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ লগতে প্ৰয়াত ৰতন লাল কাটাৰীয়াৰ পত্নী বান্তো কাটাৰীয়াক আম্বালাৰ আসনখনৰ বাবে প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

০০০০

হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ৱ সিং চেইনীয়ে কৈছে যে, সকলো জনসাধাৰণক সামাজিক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনৰ তৃতীয় আৰু চতুৰ্থ পৰ্যায়ৰ কেঞ্চাৰ ৰোগীসকলৰ বাবে ডিজিটীয়ভাৱে আৰ্থিক সাহায্য মুকলি কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীচেইনীয়ে কেঞ্চাৰ তথা অন্যান্য কেতবোৰ জটিল ৰোগত ভূগি থকা ৰোগীসকলক আৰ্থিক সাহায্য প্ৰদানৰ উদ্দেশ্যে দুখন নতুন আচনি মুকলি কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী জে পি দদালো উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়া কেঞ্চাৰৰ তৃতীয় আৰু চতুৰ্থ পৰ্যায়ৰ ৰোগীসকলে প্ৰতিমাহে ৩ হাজাৰ টকাকৈ আৰ্থিক সাহায্য লাভ কৰিব। কেঞ্চাৰ তথা অন্য ৫৫ টা জটিল ৰোগত ভোগী থকা লোকসকলে সৰল পোৰ্টেলৰ জৰিয়তে অনলাইনযোগে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। তেওঁ কয় যে, অন্যান্য সামাজিক সুৰক্ষা, পেঞ্চন আঁচনিৰ অধীনত উপলভ্য লাভৰ অতিৰিক্তভাৱে এই আৰ্থিক সাহায্য প্ৰদান

কৰা হ'ব। ৩ লাখৰ তলৰ বাৰ্ষিক উপাৰ্জনকাৰী যিকোনো বয়সৰ লোকৰ বাবে এই আঁচনি প্ৰযোজ্য হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় প্ৰৱেশ তথা যোগ্যতা নিৰূপণ পৰীক্ষা-মাষ্টাৰ অৱ ডেণ্টেল ছাৰ্জাৰী, নীট এমডিএছৰ পৰীক্ষা কেন্দ্ৰ নাই বুলি একাংশ সংবাদ মাধ্যমযোগে প্ৰকাশিত বাতৰি ভুৱা বুলি অভিহিত কৰিছে। মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ গুৱাহাটী, শ্বিলং, নাহৰলগুণ, কোহিমা, আইজল আৰু কলকাতাত এই পৰীক্ষাৰ কেন্দ্ৰ থকা বুলি প্ৰকাশ কৰিছে।

০০০০

দিল্লীৰ চাহদৰাৰ এটা ঘৰত জুই লগাৰ ফলত ৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক আঘাতপ্ৰাপ্ত হয়। অগ্নি নিৰ্বাপক বাহিনীৰ কৰ্মকৰ্তাসকলে প্ৰকাশ কৰা অনুযায়ী পুৱাৰ ভাগত লগা এই জুই পিছলৈ গাড়ী ৰখা স্থানলৈ বিয়পি পৰে। উল্লেখযোগ্য যে জুই নিয়ন্ত্ৰণলৈ আনিবলৈ অগ্নি নিৰ্বাপক বাহিনীৰ ৯ খনকৈ গাড়ী ঘটনাস্থলীলৈ ৰাওনা হোৱাৰ লগতে ১৮ জনকৈ লোকক উদ্ধাৰ কৰি আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰায়।

০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে - গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অ'ভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই ১২৯ ৰান কৰে। ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৯ উইকেটৰ বিনিময়ত ১২৬ ৰান সংগ্ৰহ কৰে।

০০০০

সমাপ্ত